**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 18-06-2026

**Time :** 1715 Hrs.

***Assamese Evening Bulletin***
**<u>HEADLINE</u>**

ooooo

## <u>HEADLINES</u>

১। অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ প্ৰস্তুতি অব্যাহত। মেলাৰ বাবে ২৪ গৰাকী অসামৰিক সেৱাৰ বিষয়াক দায়িত্ব অৰ্পণ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰৰ ১২ বছৰ পূৰ্তি উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত ভিন ভিন কাৰ্যসূচীৰ আয়োজন।

৩। মন্ত্ৰী কৌশিক ৰায় বৰাক উপত্যকাৰ পথ আৰু যোগাযোগ আন্তঃগাঁথনিৰ উন্নয়নৰে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা।

**আৰু**

৪। বিশ্বনাথ জিলাত সৰ্পদংশন ৰোগীক সুস্থ কৰি তোলা চিকিৎসক তথা চিকিৎসা কৰ্মীসকলক অভিনন্দন।

ooooo

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে অহা ২২ জুনৰ পৰা মা কামাখ্যা মন্দিৰত হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ২৪ গৰাকী অসামৰিক সেৱাৰ বিষয়াক দায়িত্ব অৰ্পণ কৰিছে। ইতিমধ্যে শক্তিপীঠ কামাখ্যা ধামত হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। আজি কামাখ্যা দেৱালয়ত আয়োজিত এখন সংবাদ মেলত কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নীল পালে অম্বুবাচী মেলাৰ যাৱতীয় ব্যৱস্থাপনা সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা কৰে। তেওঁ কয়, যে অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে কামাখ্যা ৰেল ষ্টেচন আৰু পাণ্ডু বন্দৰত দুটা শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত হেজাৰ হেজাৰ ভক্তৰ বাবে থকা-খোৱা, চিকিৎসা, অনাময় আদিৰ সুব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কামাখ্যা ৰেল ষ্টেচন আৰু পাণ্ডু বন্দৰত স্থাপন কৰা শিবিৰৰ মাজত যাতায়াতৰ বাবে প্ৰশাসনৰ ফালৰ পৰা অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছৰ ব্যৱস্থা থাকিব বুলি জানিবলৈ দিয়ে। ইয়াৰ বিপৰীতে শিবিৰৰ পৰা মন্দিৰলৈ যোৱাৰ বাবে কোনো ধৰণৰ পৰিবহন ব্যৱস্থা নাথাকিব। ভক্তসকলৰ সুবিধাৰ্থে নাৰ্চাৰী পইণ্ট, নীলাচল পাহাৰৰ ওপৰত, মন্দিৰৰ পশ্চিম প্ৰৱেশ দ্বাৰৰ সমীপত আৰু প্ৰশান্তি ল'জৰ ওচৰত মুঠ চাৰিটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে নিয়ন্ত্ৰণ কক্ষসমূহত জ্যেষ্ঠ

চৰকাৰী বিষয়া আৰু বিভিন্ন বিভাগৰ লোকসকল থকাৰ উপৰি ৭০০-৮০০ মিটাৰৰ দূৰে দূৰে সাতটা স্থানত স্থাপন কৰা হেল্পডেস্কত তিনিজনকৈ বিষয়া থাকিব। ভক্তসকলৰ সুবিধাৰ্থে মন্দিৰৰ তলৰ পৰা ওপৰলৈ কাৰ্পেটৰ ব্যৱস্থা থাকিব আৰু গৰমৰ প্ৰতি লক্ষ্য ৰাখি জল বোৰ্ডৰ পাইপেৰে পথৰ ওপৰত পানী ছটিওৱাৰো ব্যৱস্থা কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, অম্বুবাচী মেলা সন্দৰ্ভত মা কামাখ্যা মন্দিৰৰ কৰ্তৃপক্ষই পৃথকে আয়োজন কৰা এখন সংবাদ মেলত মুখ্য দলৈ কবীন্দ্ৰ প্ৰসাদ শৰ্মাই অম্বুবাচী মহাযোগৰ প্ৰবৃত্তি আৰু নিবৃত্তিৰ বিষয়ে প্ৰকাশ কৰে।

-বাইট(মুখ্য দলৈ)-

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰে ১২ বছৰ সফলতাৰে কাৰ্যকাল সম্পূৰ্ণ কৰা উপলক্ষে আজি ডিফুত জনকল্যাণ শিবিৰ আয়োজন কৰা হয়। ডিফুৰ ছাৰচিং তেৰণ টাউন হলত আয়োজিত কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা ৰংখাং বিধানসভা সমষ্টিৰ বিধায়ক তুলিৰাম ৰংহাং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ পাহাৰীয়া জিলাখনত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিসমূহৰ সুফলসমূহ জনসাধাৰণে লাভ কৰিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত ডিফুত চিন্থেটিক ট্ৰেকযুক্ত ষ্টেডিয়াম নিৰ্মাণ কৰা হয় বুলি উল্লেখ কৰাৰ লগতে জিলাখনৰ ছটা বিদ্ৰোহী সংগঠনৰ সৈতে বুজাবুজিৰ চুক্তি সম্পন্ন কৰা হয় বুলি প্ৰকাশ কৰে। আজিৰ কাৰ্যসূচীত ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰচিং তিছো, বিধায়কদ্বয় নিছো টেৰাংপী আৰু ড০ হাবে টেৰণ, জিলা আয়ুক্ত আৰণ্যক শইকীয়া, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ অভিজিত ক্ৰ'কে ধৰি ভালেমান বিষযা-কৰ্মচাৰী উপস্থিত থাকে।

ইপিনে, ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনৰ উদ্যোগত হাইলাকান্দি জিলাত আজিৰে পৰা তিনিদিনীয়াকৈ জনকল্যাণ শিবিৰ অনুষ্ঠিত হৈছে। হাইলাকান্দিৰ বিধায়ক ডাঃ মিলন দাসে আজি এই শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ লক্ষ্যৰে এই শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰত বিভিন্ন চৰকাৰী বিভাগে সহায়ক কেন্দ্ৰ, সজাগতামূলক বিপণী আদি স্থাপন কৰি ৰাইজে যাতে সহজে তথ্য লাভ কৰিব পাৰে আৰু চৰকাৰী সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত ভাষণ দি বিধায়ক ডাঃ মিলন দাসে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১২ বছৰত হোৱা উন্নয়ন আৰু বিভিন্ন জনকল্যাণমূলক পদক্ষেপৰ আলোকপাত কৰে।

ooooo

ৰাজ্যৰ খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে কয় যে বৰাক উপত্যকাৰ পথ আৰু যোগাযোগ আন্তঃগাঁথনিৰ উন্নয়ন পুনৰনিৰ্মাণ আৰু মেৰামতিৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। উপত্যকাটোত যোগাযোগ ব্যৱস্থা অধিক উন্নত, সুৰক্ষিত আৰু আধুনিক কৰি গঢ়ি তোলাৰ বাবে বিভিনন প্ৰকল্প বৰ্তমান অব্যাহত আছে আৰু ভালেমান প্ৰকল্প সন্দৰ্ভত আলোচনা অব্যাহত আছে। বিশেষকৈ মালিদহৰ পৰা বদৰপুৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ পুনৰনিৰ্মাণৰ কাম, শিলচৰ চহৰৰ কেপিটেল পইণ্টৰ পৰা ৰাংগীৰখাৰিলৈ আৰু পয়লাপুলৰ পৰা কুমাচৰালৈ যোৱাৰ পথৰ লগতে শিলচৰ-জিৰিবাম সংযোগী পথৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভত সবিশেষ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কয়, যে বৰাক উপত্যকা আৰু জনসাধাৰণৰ যাতায়াত ব্যৱস্থা

সহজ তথা সুৰক্ষিত কৰি তোলাৰ বাবে এই প্ৰকল্পসমূহৰ নিৰ্মাণ কাৰ্য অতি শীঘ্ৰে সমাপ্ত কৰা হ'ব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে ৰাজ্যত পথ যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাৰ বাবে বিশেষ অগ্ৰাধিকাৰ দিছে।

০০০০০

বিশ্বনাথ জিলা অসামৰিক চিকিৎসালয়ত আজি বিগত দুটা বৰ্ষত এহেজাৰৰো অধিক সৰ্পদংশন ৰোগীক সুস্থ কৰি তোলা চিকিৎসক তথা চিকিৎসা কৰ্মীসকলক বিশেষভাৱে অভিনন্দন জনোৱা হয়। উল্লেখযোগ্য যে, সৰ্পবান্ধৱ হিচাপে পৰিচিত সৌৰভ বৰকটকীৰ সৌজন্যত বিগত দুটা বৰ্ষত তেওঁলোকে সাপে খোঁটা লোকসকলক চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তুলিছে। এই ক্ষেত্ৰত চিকিৎসালয়খনৰ অধীক্ষক ডাঃ ৰিপন চুতীয়াই বিশেষভাৱে সেৱা আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই চিকিৎসালয় চৌহদত এটা ৰুদ্ৰাক্ষৰ পুলি ৰোপন কৰে। জিলা আয়ুক্তগৰাকীয়ে সকলো চিকিৎসা কৰ্মী তথা সৰ্পবান্ধৱসকলৰ শলাগ লোৱাৰ লগতে অনাগত দিনত চিকিৎসালয়খনত দুখন আই চি ইউ বিছনাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

বাইট (জিলা আয়ুক্ত)

০০০০০

ৰাজ্য চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা তথা মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে আজি দৰং জিলাৰ খাৰুপেটীয়া পৌৰ সভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ কৰে। মঙলদৈ সমষ্টিৰ পৰা প্ৰথমবাৰলৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈ মন্ত্ৰিত্ব লাভ কৰা শ্ৰীমতী দেৱীয়ে খাৰুপেটীয়া পৌৰসভাৰ অন্তৰ্গত শ্মশানপট্টিৰ স্বচ্ছ ভাৰত আঁচনিৰো শুভাৰম্ভ কৰে।

০০০০০

নগাঁও আৰক্ষীয়ে আজি মাদক দ্ৰব্য বিৰোধী অভিযান চলাই চহৰখনৰ সমীপৰ বৰঘাটত ৬৮টা চাবোনৰ বাকচত ভৰাই অনা কেইবা কোটি টকাৰ মাদক দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে লগতে নগাঁৱৰ পৰা জুৰিয়ালৈ মাদক দ্ৰব্যখিনি লৈ যোৱা তিনিজন সৰবৰাহকাৰীকো আটক কৰে। ধৃত লোককেইজন ইনামুল হক, ইলিয়াছ আহমেদ আৰু নজমুল ইছলাম বুলি চিনাক্ত কৰা হৈছে।

০০০০০

সমাপ্ত